... মৃত্যুত শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে।

... কাৰ্যসূচী ৰূপায়ণ কৰি স্বচ্ছতাৰ পৰিচয় দিবৰ বাবে আহ্বান জনায়।

# অক্টোবৰত মৰিধল কলেজৰ প্ৰাক্তন শিক্ষাৰ্থী সমাৰোহ

**নিয়মীয়া বাৰ্তা, চিচিবৰগাঁও, ১৭ জুলাই ঃ** ধেমাজি জিলাৰ মৰিধলস্থিত মৰিধল মহাবিদ্যালয়ত প্ৰাক্তন শিক্ষাৰ্থী সমাৰোহ অনুষ্ঠিত কৰা উপলক্ষে এখন সভা অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দীপেন শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত হয় প্ৰাক্তন শিক্ষাৰ্থী সমাৰোহৰ সাধাৰণ সভাখন। মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী আৰু বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীসহ শতাধিক প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত অনুষ্ঠিত সভাখনত অক্টোবৰ মাহত প্ৰাক্তন শিক্ষাৰ্থীসকলৰ সমাৰোহখন অনুষ্ঠিত কৰা সম্পৰ্কে সৰ্বসন্মতিক্ৰমে সিদ্ধান্ত গ্ৰহণ কৰা হয় বুলি জানিবলৈ দিছে। সমাৰোহখন সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে প্ৰশান্ত চেতিয়াক সভাপতি, অজিত যুকনক সম্পাদক আৰু বিনন্দ বৰুৱাক স্মৃতিগ্ৰন্থৰ সম্পাদক হিচাপে লৈ মুঠ ৭১জনীয়া এখন শক্তিশালী আয়োজক সমিতি গঠন কৰা হয়। সমাৰোহখন সাফল্যমণ্ডিত কৰাৰ ক্ষেত্ৰত সমূহ প্ৰাক্তন শিক্ষাৰ্থীৰ লগতে শিক্ষক, ছাত্ৰ-ছাত্ৰী আৰু সমাজৰ সকলো পক্ষৰে পূৰ্ণ সহায়-সহযোগ কামনা কৰিছে কলেজ কৰ্তৃপক্ষৰ লগতে সমবেত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে।